অধ্যায় ৫ ঃ ৰিপৰ্টিং

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
5.2 পৰিচয়
5.3 ৰিপ'র্টিঙৰ ধাৰণা
5.4 বিভিন্ন প্ৰকাৰৰ ৰিপ'র্টিং
5.5 ৰিপ'র্টিঙৰ বিট্ বা নিৰ্দিষ্ট ক্ষেত্ৰৰ ৰিপ'র্টিং
5.6 পৃষ্ঠভূমিৰ গৱেষণাৰ গুৰুত্ব
5.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
5.8 অধিক জানিবলৈ
5.9 অগ্ৰগতিৰ খতিয়ান
5.10 সম্ভাব্য প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰিপ'র্টিং কি সেই ধাৰণাৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- বিভিন্ন প্ৰকাৰৰ ৰিপ'র্টিঙৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- বিট্ ৰিপৰ্টিং কি সেয়া আলোচনা কৰিব পাৰিব
- গুৰুত্বপূৰ্ণ বিট বা সুনিৰ্দিষ্ট বিষয়ৰ নাম ক'ব পাৰিব
- পৃষ্ঠভূমি সম্পৰ্কীয় গৱেষণাৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব

৫.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়টিত আমি সংবাদৰ মৌলিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টিত সাংবাদিকতাৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে ৰিপ'র্টিং সম্পৰ্কে আলোচনা কৰা হ'ব। এজন ৰিপৰ্টাৰৰ অথবা সাংবাদিকৰ কাম হৈছে এক সংবাদ সম্ভাৱনীয়তা থকা ঘটনাৰ বিষয়ে তথ্য যুগুত কৰা। সংবাদপত্ৰত এনে সংবাদ সদায় তথ্যৰ ওপৰত আধাৰিত। এই অধ্যায়টিত আমি সেয়েহে ৰিপ'টিঙৰ বিভিন্ন দিশ, যেনে-- ইয়াৰ ধাৰণা, ইয়াৰ প্ৰকাৰ, ৰিপটিং বীট্ছ আৰু সাংবাদিকৰ বাবে গৱেষণাৰ গুৰুত্ব সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে।

৫.৩ ৰিপ'ৰ্টিঙৰ ধাৰণা

সৰল ভাষাত ৰিপ'ৰ্টিঙৰ অৰ্থ হ'ল-- সংবাদপত্ৰ, আলোচনী, টেলিভিচন বা ৰেডিঅ' সংবাদ চেনেল আদি যিকোনো সংবাদ মাধ্যমৰ দ্বাৰা কোনো সংবাদ উপযোগী ঘটনাৰ বিষয়ে তথ্য সংগ্ৰহ, সংযোজন, লিখন আৰু পৰিৱেশন কৰা। সাংবাদিকতাৰ ভাষাত সংবাদক চমুকৈ কাহিনী আকাৰত পৰিৱেশন কৰে আৰু কিছুমানে বিশদভাৱে প্ৰতিবেদন আকাৰত প্ৰকাশ কৰে।

এতিয়া ৰিপ'ৰ্টাৰজনে এই কাম কেনেকৈ কৰে। প্ৰথমতে, কোনটো প্ৰশ্ন বা ঘটনা ভাল বাতৰি হ'ব সেইটো নিৰ্বাচন কৰক, সেই সম্পৰ্কে তথ্য সংগ্ৰহ কৰক, ইয়াক লিখি উলিয়াওক আৰু একেখন নগৰতে নাইবা দূৰত থকা তেওঁৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰক। এই বাতৰিটো যদি কোনো দুৰ্ঘটনা, কেবাদিনো ধৰি চলা নিৰ্বাচন, কেবাদিনো জোৰা কোনো এটা কাৰ্যসূচী আদিৰ বিষয়ক হয়, তেতিয়া পৰৱৰ্তী দিন নাইবা ঘটনাসমূহৰ বাতৰি কেনেদৰে উপস্থাপন কৰা হ'ব?

পোন প্ৰথমতে, এজন ৰিপ'ৰ্টাৰে নতুনকৈ কোনো এটা সংস্থাত কামত যোগদান কৰিলে, বাতৰি সম্পাদক নাইবা সম্পাদকীয় বিভাগৰ কোনো এজন জ্যেষ্ঠ সাংবাদিকে তেওঁক কেনে ধৰণৰ বাতৰি সংগ্ৰহ কৰিব লাগে আৰু এই কামত কেনেদৰে আগবাঢ়িব লাগে সেই বিষয়ে পৰামৰ্শ দিব আৰু তেওঁৰ কাম-কাজৰ তদাৰক কৰিব। এই ৰিপ'ৰ্টাৰজনে যেতিয়া জ্যেষ্ঠ পৰ্যায় লাভ কৰিব, তেতিয়া তেওঁ নিজৰ অভিজ্ঞতাৰ আধাৰত তেওঁ কাম কৰা সংস্থাটোৰ আদৰ্শ আৰু নীতিৰ ভিত্তিত পিছলৈ সৰহভাগ সময়তে তেওঁৰ ৰিপ'ৰ্টিঙৰ কাম নিজে কৰিবলৈ সক্ষম হ'ব। অৱশ্যে, কোনো কোনো সময়ত জ্যেষ্ঠ সাংবাদিকসকলে কোনো এটা বিশেষ বিষয় সম্পৰ্কে তেওঁক বাতৰি এটা প্ৰস্তুত কৰাৰ নিৰ্দেশ দিব পাৰে।

তাৰোপৰি, ৰিপ'ৰ্টাৰজনে সংবাদ সংস্থাটোত উচ্চ স্থান লাভ কৰাৰ লগতে অভিজ্ঞতা অৰ্জন কৰাৰ পাছত, কোনো এটা বিষয় মনোগ্ৰাহী যেন লাগিলে আৰু ই এটা ভাল বাতৰি হিচাপে বিবেচিত হ'ব বুলি ভাবিলে, তেওঁ সেই সম্পৰ্কে এটা বাতৰি প্ৰস্তুত কৰি উলিওৱাৰ সামৰ্থ লাভ কৰিব।

সেই বাবে এজন ৰিপ'ৰ্টাৰৰ দায়িত্ব হ'ল--- দেশৰ ভিতৰতে হওক বা বাহিৰতেই হওক আমাৰ চাৰিওফালে সংঘটিত হৈ থকা ঘটনাসমূহৰ মাজৰ পৰা বাতৰিযোগ্য বিষয়সমূহ নিৰ্বাচন কৰা, সেই বিষয়টো সম্পৰ্কে আৱশ্যকীয় আৰু ইয়াৰ সৈতে জড়িত সকলো তথ্যৰ সংগ্ৰহ কৰা, প্ৰাঞ্জল আৰু উৎকৃষ্ট ৰচনা শৈলীৰে বাতৰিটো লিখা আৰু তেওঁৰ সম্পাদকীয় কাৰ্যালয়ত ইয়াক দাখিল কৰা। ইয়াত উল্লিখিত দায়িত্বসমূহৰ বিষয়ে পঢ়োতে সেইবোৰ তেনেই সহজ যেন লাগিব। কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত সেইবোৰ দায়িত্ব পালন কৰিবলগীয়া হ'লে, সেইবোৰে বৃহৎ আকাৰ ধাৰণ কৰা দেখা যায়। বিষয়টোৰ কিমান গভীৰতালৈ আপুনি যাব পাৰিছে আৰু এই সম্পৰ্কে আপুনি কিমান তথ্য সংগ্ৰহ কৰিব পাৰিছে তাৰ ওপৰতেই ৰিপ'ৰ্টাৰজনৰ সাফল্য নিৰ্ভৰ কৰিব। ৰিপ'ৰ্টাৰৰ আন এটা গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল কোনো প্ৰকাৰে বিকৃত নকৰাকৈ নাইবা ইয়াৰ সৈতে

কোনো ব্যক্তিগত মতামত যোগ নিদিয়াকৈ বাতৰি যেনেকৈ সংঘটিত হৈছিল ঠিক তেনে এটা ৰূপত উপস্থাপন কৰা।

সম্পাদকীয় আৰু ৰিপ'র্টিং এই দুয়োটা বিভাগত কাম কৰা লোকসকলৰ কাম সমানেই গুৰুত্বপূর্ণ। সেইবাবে দুয়োটা বিভাগৰ লোকসকলে সম্পূর্ণ সমন্বয় আৰু ভাৰসাম্যতা ৰক্ষা কৰি কাম কৰাটো বাঞ্ছনীয়। বাতৰি বা ৰিপ'র্টাৰে মূল কথাৰ হীন-দেৰি নোহোৱাকৈ পর্যাপ্ত ধৰণে বাতৰিসমূহ উদঙাই দাঙি ধৰাৰ বাবে দুয়োটা বিভাগৰ লোকে এনেদৰে কাম কৰাটো প্রয়োজনীয়। বাতৰিদাতা তথা সম্পাদকীয় বিভাগৰ লোকসকলে ইটোৱে সিটোৰ মনোভাব বুজি পাব লাগিব। তেতিয়াহে পঢ়ুৱৈসকলৰ সুবিধা হোৱা ধৰণে কোনো এটা বাতৰি পৰিবেশন কৰাটো সম্ভৱপৰ হৈ উঠিব আৰু সংবাদ মাধ্যম সংস্থাটোৰ জনপ্রিয়তা বৃদ্ধি পোৱাটো সুনিশ্চিত কৰিব পৰা যাব। আমি আগতে উল্লেখ কৰিছো যে এই দুই শ্রেণীৰ লোকে ইটোই সিটোৰ কামৰ বিষয়ে (বাতৰি সম্পাদনাৰ কাম ৰিপ'র্টাৰে আৰু ৰিপ'র্টাৰৰ কাম সম্পাদকে) জনা থাকিলে, তেওঁলোকে এখন উন্নত মানৰ সংবাদ পত্র নাইবা বাতৰি বুলেটিন প্রস্তুত কৰি উলিয়াব পাৰিব।

এই ক্ষেত্রত যোৱা কিছু বছৰত জনপ্রিয় হৈ পৰা নতুন প্রৱণতাৰ ফলত এনে কার্যপদ্ধতিয়ে গুৰুত্ব ধাৰণ কৰিছে। সেইটো হ'ল, আধুনিক যুগৰ টেলিভিশ্যন চেনেল তথা ছপা মাধ্যমতো প্রয়োজন হ'লে ৰিপ'র্টাৰে সম্পাদনাৰ কাম কৰাটো আৰু সম্পাদনাৰ কামত নিয়োজিতসকলে ৰিপ'র্টাৰৰ কাম কৰাটো প্রায় গতানুগতিক কার্য হৈ পৰিছে। কেৱল সেইটোৱে নহয়, যেতিয়াই প্রয়োজন হয় বা তেওঁলোকৰ কার্যালয়ৰ পৰা নির্দেশ দিয়া হয়, তেতিয়া এই সাংবাদিকসকলে বাতৰি পৰিবেশন বা এংকৰিঙৰ কাম কৰিবলগীয়া হয় অর্থাৎ তেওঁলোকে টেলিভিশ্যন বা ৰেডিঅ' চেনেলত বাতৰি পৰিবেশন কৰিবলগীয়া হয়। সেইবাবে, সাংবাদিকতাক জীৱিকাৰ বৃত্তি হিচাপে গ্রহণ কৰি ল'ব বিচৰা লোকসকলে প্রয়োজন অনুসৰি এই দুয়োবিধ কাম কৰিবলৈ আৰু ইয়াক দক্ষতাৰে কৰিবলৈ প্রস্তুত থকাটো দৰকাৰী হৈ পৰিছে।

প্রেছ ট্রাষ্ট অৱ ইণ্ডিয়া (PTI) আৰু ইউনাইটেড নিউজ অৱ ইণ্ডিয়া (UNI) ৰ দৰে সংবাদ প্রতিষ্ঠানসমূহত বর্তমান সম্পাদকীয় বিভাগত কাম কৰা লোকসকলক সময়ে সময়ে সাংবাদিকতাৰ দায়িত্বও দিয়া হয়। আনহাতে বহুতো বাতৰি কাকত আৰু টেলিভিশ্যন চেনেলত সম্পাদকীয় বিভাগৰ লোকক ৰিপ'র্টিং, যেনে নিবন্ধ, সাক্ষাৎকাৰ আৰু বিশ্লেষণাত্মক লিখনি লিখিবলৈ দিয়া হয়। অৱশ্যে হার্ড নিউজ আৰু গুৰুত্বপূর্ণ ঘটনাবোৰ সদায় ৰিপ'র্টাৰেহে যুগুত কৰে।

সেইবাবে দিনে দিনে ৰিপ'র্টাৰৰ কামটো অধিক প্রত্যাহ্বানমূলক হৈ পৰিছে। লগতে দিনে দিনে ৰিপ'র্টাৰ আৰু সম্পাদকীয় লোকৰ মাজৰ বিভাজক ৰেখাডাল ক্ষীণ হৈ আহিছে। সময়ত এই বিভাজক ৰেখা সম্পূর্ণৰূপে অস্পষ্ট হৈ পৰে আৰু দুয়ো পক্ষৰ মাজত সকলো প্রভেদ প্রায় নোহোৱা হয়।

ৰিপ'র্টাৰ এজনে তেওঁৰ বাতৰিটো উন্নত ভাষাত লিখাটো নাইবা পৰিবেশন কৰাটো অতি আদৰণীয় গুণ যদিও, ই একেবাৰে অপৰিহার্য বিধৰ নহয়। এজন ৰিপ'র্টাৰে কোনো দুর্ঘটনা,

প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক পৰিস্থিতি আদিৰ বিষয়ে ঠাইতে তথ্য-পাতি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰাৰ সময়ত তেওঁ বাতৰি কাকত নাইবা বাতৰি বুলেটিনত প্ৰকাশিত বা প্ৰচাৰিত ৰূপত সেইটো উন্নত ভাষাত লিখি উলিওৱাটো বা প্ৰস্তুত কৰাটো তেওঁৰ পক্ষে সম্ভৱপৰ নহ'ব পাৰে। কাৰণ সেই সময়ত তেওঁ বাতৰিটো লিখাৰ শৈলীতকৈ ঘটনাটোৰ তথ্য-পাতি সংগ্ৰহৰ দিশতহে অধিক মনোনিবেশ কৰিবলগীয়া হ'ব পাৰে।

এনে অৱস্থাত, বাতৰিটোৰ মূল ভাবাৰ্থৰ কোনো প্ৰকাৰৰ সাল-সলনি নঘটোৱাকৈ সংবাদপত্ৰ বা আলোচনী বা বাতৰি বুলেটিনৰ বাবে উপযুক্ত সাৱলীল ভাষাৰে বাতৰিটো পৰিশুদ্ধ কৰি উপস্থাপন কৰাটো সম্পাদকীয় বিভাগৰ লোকৰ দায়িত্ব হৈ পৰে। সম্পাদকীয় বিভাগৰ লোকৰ বাবেও ই এটা প্ৰত্যাহ্বানমূলক কাম। কাৰণ কোনো এটা ঘটনাৰ সম্পৰ্কত নিজস্ব অভিজ্ঞতা নথকাকৈ বা কোনো এটা ঘটনা নিজ চকুৰে নেদেখাকৈ আৰু ইয়াৰ মূল কথাৰ কোনো সাল-সলনি নকৰাকৈ অন্য এজনৰ লিখনি বা তেওঁ দিয়া তথ্যক নতুন ৰূপত দাঙি ধৰাতো বা লিখা উলিয়াটো এটা টান কাম।

তলৰ উপ-অধ্যায়কেইটাত ৰিপ'র্টিং বা বাতৰি প্ৰতিবেদনৰ উত্তেজনাপূৰ্ণ ক্ষেত্ৰ আৰু ইয়াৰ বিভিন্ন দিশসমূহৰ বিষয়ে আপুনি অধিক অবগত হ'ব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ ক

১৷ তলৰ দিয়াটোৰ ব্যাখ্যা আগবঢ়াওক

(ক) ৰিপ'র্টাৰ

.....

.....

.....

.....

.....

২৷ ৰিপ'র্টিং মানে কি?

.....

.....

.....

.....

.....



অনুশীলনী ক

আপোনাৰ নিজৰ গৃহ চহৰত কোনো এখন সভা বা আন কোনো কার্যসূচীত উপস্থিত থাকক আৰু ঘৰলৈ আহি ইয়াৰ বিষয়ে এটা ৰিপ'ৰ্ট বা প্রতিবেদন প্রস্তুত কৰক। পিচদিনাখন একেটা ঘটনাৰ বিষয়ে সংবাদ পত্রত প্রকাশিত প্রতিবেদনৰ সৈতে আপোনাৰ প্রতিবেদনৰ তুলনা কৰক আৰু দুয়োটাৰ মাজত থকা প্রভেদ বিচাৰি উলিয়াওক।

৫.৪ বিভিন্ন প্রকাৰৰ ৰিপ'র্টিং

গণ মাধ্যম আৰু গণ সংযোগৰ ক্ষেত্রত থকা প্রকাৰসমূহৰ দৰে, ৰিপ'র্টিঙৰ বিষয়টোক বিভিন্ন প্রচলিত পদ্ধতিৰ ভিত্তিত কেবাটাও শ্রেণীত বিভক্ত কৰা হৈছে। ইয়াৰ প্রধান শ্রেণীকেইটা হ'ল ঃ---

-- বস্তুনিষ্ঠ বা অবজেক্টিভ ৰিপ'র্টিং

-- ব্যাখ্যামূলক ৰিপ'র্টিং

-- অনুসন্ধানমূলক বা ইনভেষ্টিগেটিভ ৰিপ'র্টিং

বস্তুনিষ্ঠ বা অবজেক্টিভ্ ৰিপ'র্টিং

বস্তুনিষ্ঠ ৰিপ'র্টিং হ'ল কোনো এটা ঘটনাক ই ঘটি যোৱা ধৰণে উপস্থাপন কৰা। এনে ৰিপ'র্টিং তথ্যভিত্তিক বা প্রতিবেদনত পূর্বাপৰ ঘটনা, ঘটনাৰ পৃষ্ঠভূমি, মূল্যাংকন নাইবা সেই সম্পর্কে মতামত আদি নাথাকে। ইয়াত ৰিপ'র্টাৰজনে কি দেখিলে বা পর্যবেক্ষণ কৰিলে তাৰ বর্ণনা থাকে আৰু তাত কোনো উপৰুৱা কথা যোগ দিয়া নহয়।

বস্তুনিষ্ঠ ৰিপ'র্টিং হৈছে এক প্রকাৰৰ পোনপটীয়া ৰিপ'র্টিং আৰু ই কেতিয়াও ব্যক্তিগত দিশৰ সৈতে জড়িত নহয়। ৰিপ'র্টাৰে নিজৰ subjectivity আঁতৰাইৰাখিব পাৰিলেহেবস্তুনিষ্ঠ ৰিপ'র্টিং সফল হ'ব। ইয়াৰ অর্থ হৈছে যে বস্তুনিষ্ঠ ৰিপ'র্টিং সদায় নিৰপেক্ষ হোৱা উচিত। অৱশ্যে সমালোচকসকলৰ মতে পূর্ণ নিৰপেক্ষতা কেতিয়াও সম্ভৰ নহয়।

প্রতি গৰাকী ৰিপ'র্টাৰৰে নিজস্ব ধাৰণা, অনুভৱ, দৃষ্টিভংগী, মতামত থাকে। সেয়েহে বস্তুনিষ্ঠ ৰিপ'র্টিঙত এই সকলোবোৰৰ উর্দ্ধত নিৰপেক্ষতা অৱলম্বন কৰাটোৱেই হৈছে প্রথম আৰু প্রধান চর্ত।

নিম্নলিখিত কথাকেইটাই থুলমূলকৈ তথ্যভিত্তিক ৰিপ'র্টিঙৰ ধাৰণাটো আৰু অধিক স্পষ্টভাৱে দাঙি ধৰিব।

— কোনো এটা বিষয়ৰ বিভিন্ন দিশ উপস্থাপনত ভাৰসাম্যতা আৰু নিৰপেক্ষতা।

— ৰিপ'র্টিঙত যথার্থতা আৰু বাস্তৱিকতা ৰক্ষা কৰা।

— ৰিপ'র্টিঙত আটাইবোৰ মূল প্রাসংগিক কথাৰ উল্লেখ কৰা।

— মতামতৰ পৰা তথ্যক পৃথক কৰা, কিন্তু মতামতক ঘটনাৰ সৈতে প্রাসঙ্গিক হিচাপে দাঙি ধৰা।

— বাতৰি লিখোতে ৰিপ'র্টাৰৰ নিজস্ব মতামত, মনোভাব বা নিজে জড়িত থকাৰ প্রতিফলন যিমান পাৰি কম কৰা।

— তির্যকতামূলক, বিদ্বেষাত্মক বা ভ্রান্তিকৰ উদ্দেশ্য এৰাই চলা।

বস্তুনিষ্ঠ বা তথ্যভিত্তিক ৰিপ'র্টিঙৰ বৈশিষ্ট্য থকা এটা বাতৰিৰ উদাহৰণ তলত দিয়া হ'ল। এই বাতৰিটো 2008 চনৰ 8 এপ্রিলত দ্যা আচাম ট্রিবিউন কাকতখনত প্রকাশ হৈছিল।

কাঠফুলা ভক্ষণত মৃত্যু সম্পর্কে কৃষি বৈজ্ঞানিকৰ অনুসন্ধান।

অনুসন্ধান

(মহানগৰ ৰিপ'র্টাৰ)

গুৱাহাটী, এপ্রিল 7— গোলাঘাট আৰু আন কেইখনমান জিলাত বিষাক্ত কাঠফুলা ভক্ষণৰ ঘটনা সম্পর্কে তদন্ত চলোৱা অসম কৃষি বিশ্ববিদ্যালয়ৰ এটা বৈজ্ঞানিকৰ দলে আক্রান্ত লোকসকলে ভক্ষণ কৰা কাঠফুলা বিধক আমানিটা ফেলইদেছ ভেইল নামৰ অতি বিষাক্ত জাতৰ কাঠফুলা বুলি চিনাক্ত কৰিছে।

ৰাজ্যৰ কৃষি মন্ত্রী প্রমিলা ৰাণী ব্রহ্মই কেইদিনমান আগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচার্য এচ এচ বাঘেলক গোলাঘাট জিলাৰ বহুপথাৰত হাবিৰপৰা তুলি অনা বিষাক্ত কাঠফুলা খাই সাতজন লোকৰ মৃত্যু হোৱা ঘটনৰ সম্পর্কত অনুসন্ধান কৰিবলৈ নির্দেশ দিছিল।

গাঁওখনৰ লোকক সোধ-পোচ আৰু তেওঁলোকে ভক্ষণ কৰা কাঠফুলাৰ গুণাগুণ পৰীক্ষা কৰাৰ পাছত বৈজ্ঞানিক আৰু ৰাজ্যিক কৃষি বিভাগ আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলক লৈ গঠিত বিশেষজ্ঞৰ দলটোৱে বছৰৰ প্রথম জাক বৰষুণৰ পাছত গজি উঠা এইবিধ বিষাক্ত কাঠফুলাকেই মৃত্যুৰ কাৰণ বুলি ঠাৱৰ কৰিছে।

ব্যাখ্যামূলক ৰিপ'র্টিং

বহুসময়ত ৰিপ'র্টাৰ বা সম্পাদনাৰ কামত নিয়োজিত ব্যক্তিয়ে ক্ষেত্রভিত্তিক প্রতিবেদনৰ পৰা লাভ কৰা বা সংগ্রহ কৰা বিভিন্ন সমলৰ ওপৰত ভিত্তি কৰি কিছুমান ঘটনাৰ ব্যাখ্যা কৰিবলগীয়া হয় বা ভৱিষ্যতে সংঘটিত হ'ব পৰা কোনো এটা ঘটনাৰ পূর্বাভাস দিবলগীয়া হয়। নির্বাচন পর্ব, কোনো সমাজ বা দেশৰ বিচ্ছিন্নতাবাদী বা আন্দোলনকাৰী গোটৰ সৈতে আলাপ-আলোচনা, আন্তঃৰাষ্ট্রীয় বা আন্তঃৰাজ্যিক ধৰণৰ কোনো সংকট আদি এনে ব্যাখ্যামূলক ৰিপর্টিঙৰ সুন্দৰ উদাহৰণ বুলি ধৰিব পাৰি।

ধৰি লওক-- আমি আটায়ে জানো যে ভাৰতৰ ক্ষেত্রত কেন্দ্রীয় আৰু ৰাজ্যিক পর্যায়ত সন্মিলিত চৰকাৰ গঠনৰ প্রক্রিয়াটো চলি আহিছে আৰু ই গা কৰি উঠিছে, এতিয়া সাধাৰণ

নির্বাচনৰ ঠিক আগে আগে আৰু ইয়াৰ ঠিক পাছতেই (কেতিয়াবা কেতিয়াবা) সৰহভাগ ডাঙৰ আৰু সৰু ৰাজনৈতিক দলেই মিত্রজোট গঠনৰ বাবে আলাপ-আলোচনা আৰম্ভ কৰিবলৈ লয়। এইটো এটা গতানুগতিক কার্য হৈ পৰিছে আৰু ইয়াত কোনো ভুল বা নতুনত্ব নাই।

নির্বাচনৰ পূর্বে এই দলসমূহে এনে কোনো আলোচনাত লিপ্ত নহ'লেও, নির্বাচনৰ পাছত চৰকাৰ এখন গঠনৰ উদ্দেশ্যে সেইবোৰে এনে আলাপ-আলোচনাত মিলিত হোৱাৰ প্রচুৰ সম্ভাৱনা থাকে।

এনেবোৰ সময়ত ৰিপ'টাৰসকলক, বিশেষভাবে জ্যেষ্ঠ ৰিপ'টাৰসকলক পৰিস্থিতিৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু ঘটনাপ্রবাহে কোন দিশে ঢাল ল'ব সেই সম্পর্কে পূর্বাভাস দিবলৈ আৰু ব্যাখ্যা আগবঢ়াবলৈ কোৱা হয়। যেনে, 'ক' ৰাজনৈতিক দলটোৱে 'খ' দলটোৰ সৈতে বা বিপৰীত ক্রমে এনে হোৱাটোৰ বিষয়ে ব্যাখ্যা কৰা বা পূর্বাভাস দিয়া, ইত্যাদি।

চীন-তিব্বত প্রশ্ন, ইৰাক যুদ্ধ, আমেৰিকাৰ ৰাষ্ট্রপতিৰ নির্বাচন আদিৰ দৰে আন্তঃৰাষ্ট্রীয় বিবাদ বা বিষয়সমূহৰ ক্ষেত্রত মাধ্যম সংস্থাবোৰে সেইবোৰৰ নিজৰ মতে এনে ঘটনা প্রবাহৰ ব্যাখ্যা আগবঢ়াই এই প্রশ্নবোৰৰ বিষয়ে পাঠকক অৱগত কৰাব বিচাৰে।

এনে কৰাত সাংবাদিকসকলৰ কেতবোৰ সুবিধা আছে। সেইটো হ'ল-- জীৱনৰ বিভিন্ন ক্ষেত্রত ৰাজহুৱা পৰিক্রমাৰ সৈতে বহুকাল ধৰি জড়িত হৈ থকাৰ ফলত এই সাংবাদিকসকলে ক্রমান্বয়ে এনে ঘটনা আৰু ইয়াৰ বিভিন্ন দিশ সম্পর্কে পৰিপক্ক ব্যাখ্যা আগবঢ়োৱাৰ বাবে সুবিজ্ঞতা আৰু অন্তর্দৃষ্টি আহৰণ কৰিবলৈ সক্ষম হৈ পৰে।

সাংবাদিকজনে নতুনকৈ উন্মুক্ত পৰিস্থিতিত নিজৰ অভিজ্ঞতা, বিজ্ঞতা আৰু জ্ঞানৰ সুবিবেচিত প্রয়োগৰ দ্বাৰা এনে ব্যাখ্যামূলক ৰিপ'র্ট বা পূর্বাভাস আগবঢ়াব পাৰে।

এইখিনিতে এটা প্রশ্ন উদয় হয়। সেইয়া হ'ল, আমি আটায়ে অৱগত যে বাতৰিৰ ৰিপ'র্টত কোনো মতামত থাকিব নালাগে। গতিকে, ব্যাখ্যামূলক ৰিপ'র্টৰ কথাটো কেনেকৈ উঠিব পাৰে? কাৰণ এনেবোৰ ৰিপ'র্টত যথেষ্ট পৰিমাণে ব্যক্তিগত মতামত থাকে। আমি আগতে কোৱা দৰে এনে হোৱাটো প্রয়োজনীয়, কাৰণ গণ মাধ্যমে সমাজক নেতৃত্ব দিয়াৰ ভূমিকা পালন কৰিব লাগে আৰু ভৱিষ্যতে উন্নত জীৱন-ধাৰা লাভ কৰাৰ দিশত সমাজক পৰিচালিত কৰিব লাগিব।

সেইবাবে, অসম আন্দোলনৰ দৰে সংকটৰ সময়, আনৰিক চুক্তি, বর্তমান সময়ৰ পৰা আন এটা উন্নত যুগলৈ বিবর্তনৰ কালত সমাজে সন্মুখীন হোৱা সমস্যা আদিৰ ক্ষেত্রত জনসাধাৰণে অগ্রসৰ হব বিচৰা পথৰ সংকেত দিয়াত এনে ধৰণৰ ব্যাখ্যামূলক বাতৰি অতি গুৰুত্বপূর্ণ।

ইয়াত এটা ব্যাখ্যামূলক ৰিপ'র্টৰ উদাহৰণ দিয়া হ'ল। এই বাতৰিটো ibn. com নামৰ বাতৰি পর্টেলটোত 2008 চনৰ 27 জুনত প্রকাশিত হৈছিল।

পাৰস্পৰিক লাভত কংগ্রেছ-সমাজবাদী পার্টিৰ দৃষ্টি, মিত্রতাৰ বাবে সাজু

সুমিত পাণ্ডে-চি এন এন -আই-বি-এন

নতুন দিল্লী— কংগ্রেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰে সন্মুখীন হোৱা বৃহত্তম ৰাজনৈতিক সংকটৰ এটা দ্রুত ঘটনা প্রবাহ হিচাপে, ভাৰত মার্কিন আনবিক চুক্তি সম্পর্কীয় আলোচনাৰ ক্ষেত্রত অচলাৱস্থা এতিয়াও আঁতৰ হোৱা নাই।

বাওপন্থী দলসমূহে এই চুক্তিখনক আগবঢ়াই নিয়াৰ বাবে ইউ-পি-এ চৰকাৰৰ অন্তিম প্রস্তাৱটো অগ্রাহ্য কৰিছে আৰু ইউ-পি এ-ত ভাঙোন হোৱাটো যেন অনিবার্য দেখা গৈছে।

বাওপন্থী দলৰ সৈতে বিচ্ছেদৰ বাবে সাজু হৈ কংগ্রেছ নেতৃত্বাধীন ইউ-পি-এ চৰকাৰে এতিয়া নতুন মিত্রদলৰ সন্ধানত ব্যস্ত হৈছে। কংগ্রেছৰ পূর্বৰ শত্রু মুলায়েম সিং যাদৱে ধীৰে ধীৰে ইউ-পি-এক সমর্থন আগবঢ়োৱাৰ দিশে গতি কৰাৰ যথেষ্ট ইংগিত পোৱা গৈছে।

জৰুৰীকালীন অৱস্থা প্রবর্তনৰ বিৰুদ্ধে সর্বজনবিদিত জয়প্রকাশ আন্দোলনৰ ফলত এদিন মুলায়েম সিঙৰ উত্থান হয়। জৰুৰী অৱস্থাৰ 30 বছৰ পাছত সমাজবাদী পার্টিৰ সভাপতি মুলায়েম সিং যাদৱে জৰুৰী অৱস্থাৰ বিৰুদ্ধে সংগ্রাম কৰা অন্যান্যসকলৰ সৈতে একেখন মঞ্চতে উঠা দেখা গ'ল। তেওঁ তাত জনতাৰ সৈতে অভিজ্ঞতাৰ বিনিময় কৰে যদিও তেওঁৰ ভাষণত সেই সময়ৰ প্রধান মন্ত্রী গৰাকী আৰু কংগ্রেছ দলৰ নামৰ উল্লেখ বিচাৰি পোৱা নগ'ল।

তেলেগু দেশম পার্টি আৰু অসম গণ পৰিষদ আদিৰ দৰে সংযুক্ত ৰাষ্ট্রীয় প্রগতিশীল মর্চা, ইউ-এন-পি-এৰ আন অংশীদাৰসকলৰ বিপৰীতে, সমাজবাদী পার্টিয়ে আনবিক চুক্তিৰ সম্পর্কত ইয়াৰ স্থিতি এতিয়াও স্পষ্ট কৰা নাই।

মুলায়েম সিঙে তেওঁৰ তাচপাতকেইটা বুকুৰ ওচৰ চপাই ৰাখিছে আৰু চৰকাৰক দোঁধোৰ মোধোৰ অৱস্থাত পেলাইছে।

"চূড়ান্ত খচৰা এতিয়াও প্রস্তুত হৈ উঠা নাই। কংগ্রেছে খচৰাটো প্রস্তুত কৰক। আনবিক চুক্তিখন সমর্থন কৰা নকৰাৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্রহণৰ বাবে 3 জুলাই তাৰিখে ইউ এন পি এ মিলিত হ'ব। যি সিদ্ধান্তই লোৱা নহওঁক লাগিলে, ইউ এন পি এৰ প্রতি লক্ষ্য ৰাখিহে লোৱা হ'ব, কেৱল সমাজবাদীক পার্টিক নহয়" মুলায়েম সিঙে কৈছে।

উত্তৰ প্রদেশত মায়াবতীয়ে এচুকলৈ ঠেলি দিয়াত, পৰৱর্তী সাধাৰণ নির্বাচনত বি-এচ-পিৰ সমুখীন হোৱাৰ কাৰণে মুলায়েম সিঙৰ মিত্রৰ প্রয়োজন হৈছে আৰু অজিত সিঙৰ আৰ-এল-ডিৰ লগতে কংগ্রেছ তেওঁৰ বাবে মায়াবতীৰ বিৰুদ্ধে এটা শক্তিশালী জোট হৈ পৰিব।

ইয়াৰ পৰিশোধত, চৰকাৰ আৰু আনবিক চুক্তিখনক ৰক্ষা কৰাৰ বাবে কংগ্রেছে লোকসভাত সমাজবাদী দলৰ 39 গৰাকী সাংসদৰ সমর্থন লাভ কৰিব। বাওপন্থী দলসমূহে সমর্থন প্রত্যাহাৰ কৰিলেও সমাজবাদী পার্টিৰ 39 গৰাকী সাংসদে সংসদত চৰকাৰখনক ৰক্ষা কৰিব পাৰিব।

ইউ-পি-এৰ নেতা ৰামবিলাস পাছোৱানে কৈছে যে তেওঁলোকে সমাজবাদীক বিকল্প হিচাপে ৰাখিব বিচাৰে, কাৰণ তেওঁ কোৱা মতে "আমি উইকেট হেৰুৱাব নোখোজোঁ, কিন্তু একে সময়তে আমি ৰাণো সংগ্রহ কৰিব বিচাৰো।"

ইপিনে, সমাজবাদী পার্টিৰ সাধাৰণ সম্পাদক, অমৰ সিং অহা দেওবাৰে তেওঁৰ আমেৰিকা ভ্রমণৰ পৰা উভতি আহিব। অহা সপ্তাহত ইউ-এন-পি-এৰ বৈঠকতৰ পাছতে জি-8 ৰাষ্ট্রৰ শীর্ষ

সন্মিলনলৈ প্রধান মন্ত্রীয়ে যাত্রা কৰাৰ আগে আগে মুলায়েম সিঙে তেওঁৰ সিদ্ধান্ত ঘোষণা কৰাৰ সম্ভাৱনা আছে।

অনুসন্ধানমূলক ৰিপ'র্টিং ঃ এই ৰিপ'র্টিং বিধ কেনে প্রকাৰৰ সেইটো ইয়াৰ নামটোৱেই ব্যাখ্যা ক ৰে। সৰলার্থত ই হ'ল কোনো এটা অতর্কিত ঘটনা বা পৰিস্থিতি, কোনো এটা অগতানুগতিক বিষয়ে অনুসন্ধান চলোৱা। ইয়াত ৰিপ'র্টাৰ গৰাকীয়ে দৈবক্রমে কিবা এটা নহ'ব লগীয়া ভুল দেখিবলৈ পায় নাইবা তেওঁৰ নিয়মীয়া আৰু আস্থাভাজন উৎসৰ পৰা কোনো ঠাইত কিবা এটা নেতিবাচক দিশৰ সংকেত লাভ কৰে। তেতিয়া ৰিপ'র্টাৰজনে ততালিকে কোনো সন্দেহৰ উদ্রেক নোহোৱাকৈ বিষয়টোৰ সৈতে সংশ্লিষ্ট লোকসকলৰ পৰা গোপনে এই সম্পর্কে প্রাথমিক তথ্য সংগ্রহৰ কামক লাগি যায়। তাৰ পাছত এই ঘটনা বা বিষয়টোৰ গভীৰতালৈ যোৱাৰ বাবে আটাইবোৰ তথ্য বিশ্লেষণ কৰি অৱশেষত এনেবোৰ অবৈধ কাম-কাজৰ মূলত জড়িত ব্যক্তিক বিচাৰি উলিয়ায়। এই প্রকাৰ ৰিপ'র্টিঙৰ উত্তম দৃষ্টান্ত হ'ল-বৃহৎ শ্বেয়াৰ ব্যৱসায়ী হর্ষদ মেহতা জড়িত 1990 চনৰ শ্বেয়াৰ কেলেংকাৰী, টেহেলকাৰ ষ্টিং অপাৰেশ্যনৰ তথ্য, কেইজনমান সাংসদৰ ধনৰ বিনিময়ত সদনত প্রশ্ন কৰাৰ সন্মতি আদি।

শ্বেয়াৰ কেলেংকাৰীৰ বিষয়ে সকলো ফাদিল কৰা ৰিপ'র্টাৰজনে এদিন তেওঁৰ বাতৰিৰ নিয়মীয়া উৎসৰ সৈতে এনেয়ে কথা পাতি আছিল। এই কথা প্রসঙ্গতে মহিলা ৰিপ'র্টাৰগৰাকীয়ে কেনেকৈ কেইজনমান আগশাৰীৰ শ্বেয়াৰ ব্র'কাৰে ৰাজহুৱা খণ্ডৰ বেংকৰ পৰা এদিন বা কেইদিনমানৰ বাবে বৃহৎ পৰিমাণৰ ঋণ- লয় আৰু কেনেকৈ নির্বাচিত কোম্পানীৰ শ্বেয়াৰ ক্রয় কৰাৰ পাছত বেংকক কোনো সুদ আদায় নিদিয়াকৈ ঋণৰ টকা পৰিশোধ কৰে সেই বিষয়ে ইঙ্গিত লাভ কৰে। কেইটামান এনে লেন-দেনৰ ক্ষেত্রত শ্বেয়াৰ বজাৰত পর্যাপ্ত লাভ নোপোৱাত বেংকে ঋণ হিচাপে লোৱা পৰিশোধ কৰিবলৈ অক্ষম হয়।

এই প্রাথমিক তথ্যৰে সাজু হৈ ৰিপ'র্টাৰগৰাকীয়ে এই বিষয়টোৰ ভিতৰত সোমাই পৰে আৰু অৱশেষত ভাৰতৰ শ্বেয়াৰ বজাৰত হোৱা সর্ববৃহৎ কেলেংকাৰী উদঙাই ধৰে।

টেহেলকাৰ বাতৰিটো হ'ল এনে ধৰণৰ। ভাৰত চৰকাৰৰ প্রতিৰক্ষা মন্ত্রণালয়ে শ শ, হাজাৰ হাজাৰ কোটি টকা মূল্যৰ প্রতিৰক্ষা সামগ্রী ক্রয় কৰোতে ব্যৱসায়িক চুক্তিৰ বিনিময়ত উৎকোচ গ্রহণ কৰাটো সকলোৱে জনা কথা। টেহেলেকাৰ ৰিপ'র্টাৰ কেইজনে পাল পাতি এনে এটা লেনদেন সম্পর্কে হোৱা কথা-বতৰা গোপনে কেমেৰাত ধৰি ৰাখিবলৈ সক্ষম হয় আৰু এনে কৰোতে তেওঁলোকে কেবাজনো প্রমুখ ৰাজনৈতিক নেতাক উৎকোচ হিচাপে সঁচাকৈয়ে বৃহৎ অংকৰ ধন শোধ কৰিবলগীয়া হয়। এই বাতৰিটোৱে সমগ্র দেশতে ডাঙৰ চাঞ্চল্যৰ সৃষ্টি কৰে আৰু এই কেলেংকাৰীৰ পাছত চৰকাৰেও ইয়াৰ স্বচ্ছ ভাবমূর্তি প্রতিফলিত কৰিবলৈ সাহসেৰে ওলাই আহিব নোৱাৰিলে।

এনে ধৰণৰ ৰিপ'র্টিঙৰ বাবে ধৈর্য, সাহস, প্রত্যুৎপন্নমতিতা, সুক্ষ্ম নিৰীক্ষণ ক্ষমতা আদিৰ প্রয়োজন হয় কাৰণ, ভালেমান লোকক সাক্ষ্য কৰি এই সম্পর্কীয় তথ্য সংগ্রহ আদিৰ যোগে ৰিপ'র্টটো সম্পূর্ণ কৰি উলিৱাওতে বহুত সময়ৰ প্রয়োজন হ'ব পাৰে। তাৰোপৰি ৰিপ'র্টাৰ গৰাকী

কোনো নামজ্বলা বাতৰি কাকত নাইবা আলোচনীৰ সাংবাদিক নহ'লে, এনে দুঃসাহসিক অনুসন্ধানমূলক ৰিপ'র্টিঙৰ বাবে তথ্য সংগ্রহ কৰোতে সন্মুখীন হ'ব পৰা আইন শৃংখলামূলক সমস্যাৰ ক্ষেত্রত তেওঁৰ পক্ষে কোনো আইনসন্মত সমর্থন নাথাকে।

অনুসন্ধানমূলক ৰিপ'র্টিং কৰাৰ যথেষ্ট থল থকা বিষয় এটাৰ উদাহৰণ মই আপোনাৰ আগত দাঙি ধৰিব বিচাৰিছো। আপুনি নিশ্চয় অৱগত যে, কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে নিজ নিজ সমষ্টিত উন্নয়নমূলক কাম হাতত লোৱাৰ কাৰণে আমাৰ সাংসদ আৰু বিধায়কসকলক কোটি কোটি টকাৰ আবণ্টন দিয়ে। এনে বৃহৎ পৰিমাণৰ ধনৰাশি কেনেকৈ ব্যয় কৰা হয় সেই বিষয়ে কেতিয়াবা কোনো বিশদ বাতৰি প্রকাশ হোৱা দেখিবলৈ পাইছেনে? সেই ধন যদি ব্যয় কৰা হৈছে তাৰ হিতাধিকাৰীসকল কোন, ইয়াৰ কিমানখিনি মাত্র কাগজে-পত্রই কৰা হয়, সেই ধনৰ পৰা কোনো প্রত্যক্ষ সুফল লাভ কৰিব নোৱাৰা আদিৰ বিষয়ে অনুসন্ধানৰ থল থাকে। মাজে সময়ে কোনো কোনো সাংসদ বা বিধায়কে এনে প্রকল্প হাতত লোৱাৰ সংবাদ মাধ্যমত দুই চাৰিটা প্রতিবেদন চকুত পৰে যদিও সেইবোৰৰ কোনো বিস্তৃত তথ্য নাথাকে। এই দিশতো অনুসন্ধানমূলক ৰিপ'র্টিং হাতত লোৱাৰ এখন ভাল ক্ষেত্র হিচাপে ল'ব পাৰি।

সমাজত এনে ৰিপ'র্টিঙৰ সম্ভাৱনা থকা অসংখ্য বিষয় আছে। বিভিন্ন প্রকাৰৰ কেলেংকাৰীত জড়িত লোকসকলক চিনাক্ত কৰি সেইসকলক উদঙাই দেখুওৱা, কোনো এখন বিশেষ ঠাইত কোনো এটা ৰোগ স্বাভাৰিকতকৈ অধিক মাত্রাত উদ্ভৱ হোৱাৰ কাৰণ বিচাৰি উলিওৱা আদিৰ সম্পর্কেও একে ধৰণৰ অনুসন্ধানমূলক ৰিপ'র্টিং কৰাৰ থল আছে।



অগ্রগতি নিৰীক্ষণ খ

1। ৰিপ'র্টিঙৰ তিনিটা প্রকাৰ কি কি?

.....

.....

.....

2। তলত দিয়াবোৰ ব্যাখ্যা কৰক

ক) বস্তুনিষ্ঠ বা অবজেক্টিভ ৰিপ'র্টি

.....

খ) ব্যাখ্যামুলক ৰিপ'র্টিং

.....

গ) অনুসন্ধানমূলক ৰিপ'র্টিং

.....



অনুশীলনী খ

একেৰাহে 14 দিন ধৰি এখন ৰাজ্যিক পর্যায়ৰ বাতৰি কাকত পঢ়ক আৰু এটা টেলিভিশ্যন সংবাদ চেনেল চাওক। দুয়োটাত আপুনি কেইটা অনুসন্ধানমূলক আৰু ব্যাখ্যামূলক ৰিপ'র্ট দেখিবলৈ পায় সেইটো বিচাৰি উলিয়াওক আৰু সেইবোৰৰ এখন তালিকা প্রস্তুত কৰক।

৫.৫ ৰিপ'র্টিঙৰ বিট্ বা নির্দিষ্ট ক্ষেত্রৰ ৰিপ'র্টিং

ৰিপ'র্টিঙৰ বিট সম্পর্কে আলোচনা কৰাৰ আগতে এই বিষয়ে কেইটামান মনোগ্রাহী কথা উল্লেখ কৰিব খুজিছো। আমেৰিকা যুক্তৰাষ্ট্রৰ সংবাদ পত্রৰ প্রাথমিক সময়চোৱাত সৰহভাগ সংবাদ পত্র কোনো সুপ্রতিষ্ঠিত ৰাজনৈতিক দল নাইবা সেইবোৰৰ সমর্থকসকলে প্রকাশ কৰিছিল। বহুদিন ধৰি এই অৱস্থা চলি থাকে। কিন্তু এগৰাকী বুদ্ধিমান সম্পাদকে এদিন অনুভৱ কৰিলে যে গুৰুত্বপূর্ণ ৰাজনৈতিক কার্যকলাপ চলি নথকা সময়ত পর্যাপ্ত বাতৰিৰ অভাৱ হোৱা দেখা যায় আৰু তেনে অৱস্থাত সাময়িক পত্রিকাবোৰৰ বাবে পাঠকৰ মনোযোগ আকর্ষণ কৰি থকাটো টান হৈ পৰে। গতিকে তেওঁ এটা অভিনৱ ধৰণৰ ব্যৱস্থাৰ উদ্ভাৱন কৰিলে। তেওঁ বাতৰি হিচাপে গণ্য কৰিব ধৰণৰ কাম-কাজ চলাই থকাৰ সম্ভাৱনাপূর্ণ কেতবোৰ নির্বাচিত অনুষ্ঠান-প্রতিষ্ঠান, ব্যক্তি আদিক ৰিপ'র্টাৰসকলে নিয়মিতভাবে যোগাযোগ কৰাৰ ব্যৱস্থা প্রবর্তন কৰিলে। উদাহৰণ স্বৰূপে সেইবোৰ হ'ল-- ৰাজনৈতিক দলৰ কার্যালয়, সেইবোৰৰ জ্যেষ্ঠ নেতাসকল, পৌৰ কার্যালয়, শ্ৰেৰিফৰ (চহৰ বা মহানগৰৰ প্রতিৰক্ষক) কার্যালয়, হাস্পাতাল আদি।

পাঠকৰ মনোগ্রাহিতা, সংবাদ পত্রখনৰ লক্ষ্য, উদ্দেশ্য আৰু নীতি, সেইবোৰৰ বিত্তীয় আৰু ব্যৱসায়িক স্বার্থ নাইবা প্রভাৱৰ ওপৰত নির্ভৰ কৰি পৌৰ কার্যালয়, আৰক্ষী বা আইন শৃংখলা, হাস্পাতাল, চৰকাৰৰ গুৰুত্বপূর্ণ মন্ত্রালয়, বিশ্ববিদ্যালয় বা মহাবিদ্যালয় চৌহদ, ব্যৱসায় আৰু বাণিজ্য প্রতিষ্ঠান, সংস্থাসমূহৰ কার্যালয়কে ধৰি 'বিট' বিভিন্ন প্রকাৰৰ হ'ব পাৰে। তাৰ ভিতৰত কেইটামান সাধাৰণ বিধৰ বিট হ'ল চৰকাৰী কার্যালয়, ৰাজনৈতিক দল আৰু সেইবোৰৰ নেতা, আইন-শৃংখলাৰ বিট, অগ্নি নির্বাপক বাহিনী, জিলাৰ উপায়ুক্তৰ কার্যালয়, ৰাজ্যিক সচিবালয়, বিধান সভা বা সংসদ আদি।

অৱশ্যে এই বিটবোৰ একেবাৰে ধৰা-বন্ধা ভাগ বা কর্তব্যক্ষেত্র নহয়। সময় বুজি প্রয়োজন হ'লে এজন ৰিপ'র্টাৰে এটাতকৈ অধিক বিট্ত কাম কৰিবলগীয়া হ'ব পাৰে।

গতিকে সৰল ভাষাত ক'বলৈ হ'লে ৰিপ'র্টিং বিট্ হ'ল এজন ৰিপ'র্টাৰক নিয়মিতভাৱে বাতৰি সংগ্রহৰ দায়িত্ব দিয়া কোনো বিশেষ সংগঠন, প্রতিষ্ঠান আদি।

বিট ৰিপৰ্টাৰ আৰু তেওঁলোকৰ কার্য ঃ এই ব্যৱস্থাটোত প্রথমতে ৰিপৰ্টাৰে অকলে নাইবা হয়তো সংবাদ সংস্থাটোৰ কোনো জ্যেষ্ঠ সাংবাদিকৰ সৈতে একেলগে তেওঁৰ বাতৰি উৎস অর্থাৎ বিট্‌ত কর্মৰত লোকসকলৰ সৈতে পৰিচয় হোৱাৰ উদ্দেশ্যে সেইবোৰলৈ অহা-যোৱা কৰিব লাগিব। স্বাভাৰিক অৱস্থাত সাংবাদিকসকলে বাতৰিৰ উৎস গঢ়ি তোলা আৰু সেইবোৰক পোষণ কৰাৰ দৰে, ৰিপৰ্টাৰজনেও কিছুদিন পাছত তেওঁৰ বিটৰ অনুষ্ঠান-প্রতিষ্ঠানত থকা বাতৰিৰ উৎসৰ সৈতে ভাল সম্পর্ক গঢ়ি তুলিব লাগিব। এই ব্যৱস্থাটো সমগ্র বিশ্বতে সংবাদ সংগ্রহৰ ক্ষেত্রত অতি জনপ্রিয় আৰু সুবিধাজনক ব্যৱস্থা হিচাপে পৰিগণিত হৈছে।

অৱশ্যে যিবোৰ নগৰ চহৰত সাধাৰণতে খুব বেছি গুৰুত্বপূর্ণ ঘটনা নঘটে তেনেবোৰ নগৰ-চহৰ বা অর্দ্ধ চহৰ (Semi urban) এলেকাৰ সৰু সৰু বাতৰি কাকত বা আলোচনীৰ বাবে এনে ব্যৱস্থা গ্রহণ কৰাটো সম্ভৱ নহয়। কাৰণ এনে সংবদ প্রতিষ্ঠানবোৰৰ কাম-কাজৰ বাবে ইমান অধিক সংখ্যক লোক নিয়োজিত কৰাৰ আর্থিক ক্ষমতা নাথাকে।

কোনো এখন বাতৰিকাকত, টেলিভিশ্যন বা ৰেডিঅ' চেনেলে সেইবোৰৰ মহানগৰ এলেকাত ঘটি থকা গুৰুত্বপূর্ণ ঘটনাসমূহৰ বিষয়ে ৰিপৰ্ট দিয়াৰ কাৰণে যথেষ্ট সংখ্যক নিয়মিত বেতনভোগী ৰিপৰ্টাৰ নিয়োগ কৰাটো প্রচলিত প্রথা হৈ পৰিছে। কাৰণ, বাতৰি কাকতৰ সকলো পঢ়ুৱৈ বা টেলিভিশ্যন, ৰেডিঅ'ৰ শ্রোতা-দর্শকে তেওঁলোকে বাস কৰা মহানগৰী, ৰাজ্য, অঞ্চল, দেশৰ লগতে আন্তঃৰাষ্ট্রীয় ক্ষেত্রৰ ঘটনা-প্রবাহৰ বিষয়ে জানিবলৈ অধিক আগ্রহী হোৱাটো নিশ্চিত কথা।

যিহেতুকে, আমি দেশৰ ভিতৰৰ আৰু বিশ্বৰ আন দেশৰ ঘটনাসমূহকো উপেক্ষা কৰিব নোৱাৰো, সেইবাবে সৰহভাগ সু-প্রতিষ্ঠিত সংবাদ প্রতিষ্ঠানে দেশৰ বিভিন্ন ঠাইৰ লগতে বিশ্বৰ বিভিন্ন দেশৰ কোনো কোনো ঠাইত কেইজনমান ৰিপৰ্টাৰ নিয়োগ কৰে।

অপৰাধ বিট ঃ আপোনাৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ পৰা আপুনি নিশ্চয় দেখিবলৈ পাইছে যে পাঠকসকলৰ সৰহভাগেই অপৰাধমূলক ঘটনাৰ বিষয়ে জানিবলৈ আগ্রহী হয়। সেইবাবে বহুদিন আগৰে পৰা আইন-শৃংখলৰ বিষয়টোক এটা পৃথক বিট হিচাপে গণ্য কৰা হৈ আহিছে। পাঠক নাইবা অডিয়েন্স আকর্ষণৰ দিশৰ পৰাও এই বিষয়টো অতি গুৰুত্বপূর্ণ। সেইবাবে সুপ্রতিষ্ঠিত মুখ্য সংবাদ মাধ্যম সংস্থাই মহানগৰসমূহত এই বিটৰ বাবে 30–40 জন পর্যন্ত ৰিপৰ্টাৰৰ দল এটা নিয়োজিত কৰে।

সংস্কৃতি বিট ঃ আমি জানো যে সংবাদ প্রতিষ্ঠান-সংস্থাসমূহে ভিন ভিন দৃষ্টিভংগী, ৰুচি আদিৰ লোকৰ ভিন ভিন চাহিদাৰ খোৰাক যোগাব লাগে। সেইবাবে সংস্কৃতিও এটা উল্লেখযোগ্য বিট্‌। ডাঙৰ ডাঙৰ সংবাদ প্রতিষ্ঠান-সংস্থাই সেইবাবে চহৰত অনুষ্ঠিত নাট্যাভিনয়, নৃত্য আৰু কথাছবি, নাটক আদিৰ সমালোচনাৰ কামৰ বাবে কেবাজনো লোকক নিয়োগ কৰে। আন বহুতো সংস্থাই আকৌ নিজৰ প্রতিষ্ঠানৰ বাহিৰৰ এনে কামত যশস্যা অর্জন কৰা লোকৰ হতুৱাই এইবোৰ প্রতিবেদন লিখাৰ বাবে বাহ্যিক সমলৰ ব্যৱহাৰ কৰে।

অর্দ্ধ চহৰীয়া (Semi urban) ঃ এনে অঞ্চল য'ত বাস কৰা জনসাধাৰণ অর্দ্ধ কৃষি নির্ভৰ, কিছু সংখ্যক ব্যৱসায়-বাণিজ্যৰ লগত জড়িত। কিন্তু এনে অঞ্চলত বাস কৰা লোকসকলৰ জীৱনধাৰণৰ শৈলী নগৰ অঞ্চলত বাস কৰা লোকৰ জীৱন ধাৰণ শৈলীৰ দৰে নহয়।

ৰাজনৈতিক বিট ঃ আমাৰ জীৱনৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতেই ৰাজনীতিৰ সৰ্বাত্মক বিদ্যমানতা আৰু প্ৰভাৱ থকা দেখা যায়। সেইবাবে যিকোনো সংবাদ সংস্থাই ৰাজনীতিক উপেক্ষা কৰিব নোৱাৰে।

ক্ৰীড়া বিট ঃ সকলো পৰ্যায়তে খেলা-ধুলাৰ প্ৰতি সৰ্বসাধাৰণ লোকৰ মাজত থকা আগ্ৰহৰ বিষয়ে বেছিকৈ কোৱাৰ প্ৰয়োজন নাই। সেইবাবে বাতৰি কাকত আৰু সংবাদ চেনেলসমূহে স্থানীয়, ৰাষ্ট্ৰীয় বা বিশ্ব পৰ্যায়ৰ ক্ৰীড়া বাতৰি পৰিবেশনৰ বাবে যথেষ্ট পৰিমাণৰ ঠাই দিয়ে। বাতৰি কাকতৰ পাঠক আৰু চেনেলৰ শ্ৰোতা-দৰ্শকৰ মাজৰ বৃহৎ একাংশ লোকে সাধাৰণ শ্ৰেণীৰ বাতৰিত কেৱল ক্ৰীড়া বাতৰি পঢ়া বা শুনাৰ বাবেহে সংবাদ পত্ৰ কিনে বা চেনেলসমূহৰ বাতৰি শুনিব বা চাব বিচাৰে।

আগতে উল্লেখ কৰাৰ দৰে, বিট্ কি সেই বিষয়ে আভাস দিয়াৰ বাবে আপোনাৰ আগত কেইটামান উদাহৰণহে দাঙি ধৰা হ'ল। কোনো একোটা বিশেষ সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ বিশেষ মনোযোগৰ ক্ষেত্ৰ, পাঠক বা শ্ৰোতা-দৰ্শকৰ ধৰণ, প্ৰকাশৰ স্থান আদি বিভিন্ন কাৰণৰ ওপৰত নিৰ্ভৰ কৰি অন্যান্য আৰু ভালেমান বিট্ বা নিৰ্দিষ্ট বিষয় থাকিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ গ

1¼ ৰিপ'র্টিং বিট্ কি? উদাহৰণ দি লিখক।

.....

.....

.....

.....

.....

৫.৬ পৃষ্ঠভূমিৰ গৱেষণাৰ গুৰুত্ব

পাঠকৰ দৃষ্টিকোণৰ পৰা কোনো এটা বাতৰি, কোনো এটা বিষয়, সমস্যা নাইবা জন জীৱন আৰু সমাজৰ কোনো এটা দিশক লৈ এটা প্ৰবন্ধ, নিবন্ধৰ প্ৰস্তুত আৰু পৰিবেশনৰ কামতো যথেষ্ট সৰল যেন বোধ হয়। কিন্তু এই কাম কিমান কষ্টকৰ, কালক্ষয়ী আৰু দায়িত্বপূৰ্ণ সেইটো সাংবাদিক বা সেইবোৰ লিখাত জড়িত ব্যক্তিজনেহে বুজি পায়।

কোনো এজন সাংবাদিকক যেতিয়া প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক ঘটনাপ্ৰবাহ, অৰ্থনৈতিক সংকতাৱস্থা, সামাজিক ঘটনা আদিৰ দৰে বিষয় সম্পৰ্কে ৰিপ'র্টিং বা বাতৰি প্ৰতিবেদন

প্রস্তুত কৰাৰ বিশেষ দায়িত্ব দিয়া হয়, তেতিয়া তেওঁ কেইটামান পদক্ষেপৰ মাজেৰে আগবাঢ়ি যাব লগীয়া হয়। সেইবোৰৰ ভিতৰত প্রথম, অগ্রগণ্য আৰু পবিত্র কাম হ'ল এনেবোৰ বিষয় সম্পর্কে পর্যাপ্ত প্রামাণিকতা থকা তথ্য-পাতি সংগ্রহ কৰা। ঘটনাটা যদি ডাঙৰ হয়, এনে ঘটনা আগতেও সংঘটিত হৈছিল নেকি সেইটো নিশ্চিতভাবে ঠাৰৰ কৰাৰ চেষ্টা কৰিব লাগিব। যদি হৈছিল, কিমান সঘনে হৈছিল। এই ঘটনাবোৰ কেনেকৈ সংঘটিত হৈছিল বা ঘটিছিল তাৰ কাৰণ জানিবলৈ চেষ্টা কৰিব লাগিব। পাঠক বা শ্রোতা-দর্শকৰ আগত সমগ্র বিষয়টোৰ সম্পর্কে বিস্তৃতভাবে দাঙি ধৰাৰ কাৰণে সাংবাদিকজনে চৰকাৰ বা কোনো স্বায়ত্বশাসিত সংস্থাৰ দায়িত্ব সম্পন্ন ব্যক্তিৰ পৰা এই তথ্য-পাতিবোৰ সংগ্রহ কৰিব লাগিব।

ইয়াৰ উপৰি কোনো সংবাদ মেল, লব্ধ প্রতিষ্ঠ ব্যক্তি আদিৰ সৈতে সাক্ষাৎকাৰৰ আগতে পৃষ্ঠভূমিৰ অনুসন্ধান কৰিলেহে, সেই ব্যক্তি গৰাকীয়ে তেওঁৰ নিজৰ সংগঠনৰ পূর্বৰ স্থিতিৰ বিৰোধাত্মক বিবৃতি আদি দিয়া দেখা গ'লে, তেওঁক সংগঠনটোৰ পূর্ব স্থিতি অন্যান্য বিষয়ৰ প্রশ্নাদি কৰিব পৰা যাব।

এই সম্পর্কত মই আপোনাক এটা উদাহৰণ দিব খুজিছো। এবাৰ, কেন্দ্রীয় চৰকাৰৰ ৰাজহুৱা খণ্ডৰ এটা আগশাৰীৰ প্রতিষ্ঠানৰ মুৰব্বীজনে এখন সাংবাদিক মেলত তেওঁৰ প্রতিষ্ঠানটোৰ সাফল্যৰ এখন অতি উজ্জল চিত্র দাঙি ধৰি বিবৃতি এটা দিয়ে। ঠিক সেই সময়তে এগৰাকী সাংবাদিকে, গুৱাহাটীত তেওঁৰ প্রতিষ্ঠানটোৰ খেলিমেলিৰ সম্পর্কত মুৰব্বীজনৰ বিৰুদ্ধে সেই সময়ৰ কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কৰা এট বিৰূপ মন্তব্যৰ বিষয়ে তেওঁক সোঁৱৰাই দিয়ে। এই মন্তব্যৰ সম্পর্কত কেনে ব্যৱস্থা লোৱা হৈছে সাংবাদিকজনে মুৰব্বীজনৰ পৰা সেই বিষয়ে জানিব বিচাৰে। প্রতিষ্ঠানটোৰ মুৰব্বীজনে এনে এটা প্রশ্নৰ প্রত্যাশা কৰা নাছিল আৰু প্রশ্নটোৰ কি উত্তৰ দিব প্রথমতে সেইটো ভাবিয়েই পোৱা নাছিল।

সেইবাবে পৃষ্ঠভূমিৰ গবেষণা, আনকি মনোৰঞ্জনাত্মক কার্যসূচীৰ ক্ষেত্রক সাংবাদিকতাৰ এটা গুৰুত্বপূর্ণ দিশ হিচাপে গণ্য কৰা হয়।



অগ্রগতি নিৰীক্ষণ ঘ

1¼ গণ মাধ্যমত পৃষ্ঠভূমি সম্পর্কীয় গৱেষণাৰ তাৎপর্য কি?

.....

.....

.....

.....

.....

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

¼ এই অধ্যায়টিত ৰিপ'র্টিঙৰ উত্তেজনাপূর্ণ জগতখনৰ লগতে বিভিন্ন প্রকাৰৰ ৰিপ'র্টিঙৰ সৈতে আপোনাক পৰিচয় কৰি দিলো।

ভৰিষ্যতে গণ মাধ্যমত আপুনি যেতিয়া সাংবাদিকতাৰ বৃত্তি গ্রহণ কৰিব তেতিয়া আপোনাৰ কাম-কাজ ভালদৰে কৰাৰ ক্ষেত্রত এনে জ্ঞানে আপোনাক এই কামৰ বাবে প্রস্তুতি কৰি তুলিব। ৰিপ'র্টিং হ'ল কোনো এটা বাতৰি বিচাৰি উলিওৱাৰ পাছত, ইয়াৰ প্রাসঙ্গিক তথ্য-পাতি সংগ্রহ কৰি কোনো নিজস্ব ব্যক্তিগত মতামত নথকাকৈ সুন্দৰ ভাষাত পৰিবেশন কৰা কার্য। বস্তুনিষ্ঠ, অনুসন্ধানমূলক আৰু ব্যাখ্যামূলক আদি কেবা প্রকাৰৰো ৰিপ'র্টিং আছে আৰু সেইবোৰে ৰিপ'র্টিঙৰ ভিন্ ভিন্ শৈলী আৰু দিশ প্রতিফলিত কৰে। আনহাতে, ৰিপ'র্টিং বিট্ মানে হ'ল ৰিপ'র্টাৰক বাতৰি সংগ্রহৰ বাবে কিছু কালৰ বাবে নিয়মিতভাৱে দায়িত্বত দিয়া নির্দিষ্ট ক্ষেত্র। তেওঁক তেওঁৰ নির্দিষ্ট ক্ষেত্রত ঘটা কোনো ঘটনা বা বিষয়ৰ সম্পর্কে প্রতিবেদন দিয়াৰ দায়িত্ব অর্পণ কৰা হয়। এইটো এটা সুন্দৰ ব্যৱস্থা, কাৰণ এইটোৱে ৰিপ'র্টাৰজনক কোনো এটা বিষয়ে বিশেষ অভিজ্ঞতা অর্জনত সহায় কৰে আৰু ৰিপ'র্টাৰজনে কোনো এটা বাতৰি নোপোৱাকৈ থকাৰ সম্ভাৱনা হ্রাস হোৱাৰ লগতে, তেওঁ বাতৰিৰ উৎসসমূহক ঘনিষ্ঠভাবে জনাৰ সুযোগ পায়। আনহাতে পৃষ্ঠভূমিৰ গৱেষণা হ'ল কোনো বিষয়ে ৰিপ'র্টিঙক বা কোনো ব্যক্তিৰ সৈতে সাক্ষাৎকাৰ গ্রহণ কৰোতে বা কোনো এটা নিবন্ধ লিখাৰ আগতে সেই বিষয়টোৰ সংক্রান্তত কৰা ক্ষেত্রভিত্তিক কাম বা অধ্যয়ন।



৫.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1. Handbook of Journalism - V. B. Agarwal + V. B. Gupta (concept)
2. Journalism - N. Jayapala, Atlantic publishers and distributions, New Delhi.
3. Essentials of Practical Journalism - Vir Bala Agarwal, Concept Publishing company, New Delhi.



৫.৯ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ ক

¼ ৰিপ'র্টাৰ হ'ল এনে এজন ব্যক্তি, যিজনে বিভিন্ন ক্ষেত্রৰ পৰা তথ্যৰ সংগ্রহ কৰে আৰু বাতৰি কাকত, আলোচনী আদিত প্রকাশৰ কাৰণে প্রতিবেদন লিখি উলিয়ায়।

২৷ ৰিপ'টিং হ'ল কোনো এটা বিষয় বা ঘটনা সম্পর্কে পর্যাপ্ত আৰু প্রামাণিক তথ্য সংগ্রহ, গুৰুত্ব অনুসাৰে সেইবোৰৰ উপস্থাপন আৰু তাৰ পাছত সাৱলীল ভাষা সংযোজনেৰে বাতৰি কাকত, টেলিভিশন বা ৰেডিঅ' চেনেল যোগে সেই ঘটনাটোৰ বিষয়ে তথ্য আদিৰ পৰিবেশন কার্য। কামটো দেখাত সহজ যেন লাগিলেও ই কাল ক্ষয়কাৰী আৰু কষ্টকৰ আৰু ইয়াৰ বাবে ধৈর্য, প্রত্যুৎপন্নমতিতাৰ প্রয়োজন হয়।

অগ্রগতি নিৰীক্ষণ খ

১৷ তিনি প্রকাৰৰ ভিন্ ভিন্ ৰিপ'র্টিং হ'ল— বস্তুনিষ্ঠ ৰিপ'র্টিং, ব্যাখ্যামূলক ৰিপ'র্টিং আৰু আৰু অনুসন্ধানমূলক ৰিপ'র্টিং।

২৷ **ক) বস্তুনিষ্ঠ ৰিপ'র্টিং ঃ** কোনো এজন ৰিপ'র্টাৰে যেতিয়া নিজস্ব কোনো ৰহন নসনাকৈ তেওঁ নিজে দেখা মতে কোনো ঘটনাৰ প্রকৃত সত্যক প্রতিফলিত কৰি বস্তুনিষ্ঠ বা নিৰপেক্ষভাবে তাৰ প্রতিবেদন দিয়ে, তাকেই বস্তুনিষ্ঠ ৰিপ'র্টিং বুলি কোৱা হয়।

খ) ব্যাখ্যামূলক ৰিপ'র্টিং ঃ এইটো হ'ল এনে এক প্রকাৰৰ ৰিপ'র্টিং যিটোত কোনো এটা ঘটনা বা সমাজত উদ্ভৱ হোৱা কোনো এটা পৰিস্থিতিৰ সৈতে সম্পর্ক থকা সকলোবোৰ তথ্য-পাতি সংগ্রহ কৰা হয় আৰু পাছত এনে তথ্যৰ ভিত্তিত এই ঘটনাক্রম বা পৰিস্থিতিয়ে কোন দিশে ঢাল ল'ব পাৰে তাৰ আগতীয়া ইংগিত দিয়া হয় বা ইয়াৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা হয়। উদাহৰণ স্বৰূপে— নির্বাচনৰ আগে-পাছে কোন দলৰ লগত লগ লাগি কোন দলে চৰকাৰ গঠন কৰিব পাৰে বা কোনে কোনে মন্ত্রীত্ব লাভ কৰিব পাৰে সেই বিষয়ে যথেষ্ট অনুমানিক চিন্তা-চর্চা কৰা হয়। সাধাৰণভাবে অনুমান কৰা আৰু এনে ধৰণৰ ৰিপ'র্টিঙৰ মাজত প্রভেদ হ'ল এয়ে যে এই ক্ষেত্রত কেৱল অনুমান নকৰি তথ্যসমূহৰ উপযুক্ত বিশ্লেষণৰ দ্বাৰা ব্যাখ্যা আগবঢ়োৱা হয় বা আগতীয়া ইংগিত দিয়া হয়।

গ) অনুসন্ধানমূলক ৰিপ'র্টিং ঃ এই প্রকাৰৰ ৰি প'র্টিঙত কোনো এটা ঘটনা, অৱস্থা, সেইবোৰৰ তাৎপর্য আদিৰ গভীৰতালৈ যোৱাৰ বাবে অনুসন্ধান আৰু গৱেষণা কৰাৰ প্রয়োজন হয় আৰু তাৰ দ্বাৰা ঘটনাটোৰ সৈতে জড়িত সকলো দিশ নাইবা ইয়াৰ আঁৰত থকা কাৰণসমূহ উন্মোচন কৰি গণ মাধ্যমৰ যোগে জনসাধাৰণৰ আগত সেইবোৰ উপস্থাপন কৰা হয়। কোনো এজন ৰিপ'র্টাৰে হঠাতে দৈবক্রমে নাইবা তেওঁৰ নিয়মীয়া বাতৰি উৎসৰপৰা কোনো ৰহস্যৰ সন্ধেদ লাভ কৰে। তাৰ পিছত তেওঁ এই ৰহস্যৰ ভিতৰলৈ সোমাই গৈ সকলো তথ্য-পাতি সংগ্রহ কৰি মাধ্যমৰ জৰিয়তে সেইবোৰ জনসাধাৰণৰ আগত দাঙি ধৰে। উদাহৰণস্বৰূপে, এজন ৰিপ'র্টাৰে দেখিলে যে উপার্জনৰ কোনো প্রত্যক্ষ উৎস নথকা কেইটামান পৰিয়াল বা কেইজনমান লোক হঠাতে আঢ্যৱন্ত হৈ পৰিছে আৰু ব্যয়বহুল জীৱন যাপন কৰিবলৈ লৈছে। ৰিপ'র্টাৰজনে তেতিয়া গোপনে এনে ঘটনাৰ অনুসন্ধান চলায় আৰু দেখিবলৈ পায় যে এই পৰিয়ালকেইটা বা লোককেইজনে অসাধু উপায়েৰে বহু ক'লা ধন অর্জন কৰিছে।

অগ্রগতি নিৰীক্ষণ গ

- ৰিপর্টিং বিট মানে হ'ল কোনো ঠাইৰ পৰা উৎপন্ন হ'ব পৰা বা-বাতৰিৰ ৰিপ'র্টিঙৰ কাৰণে ৰিপ'র্টাৰক নিয়মীয়াভাৱে দায়িত্ব অর্পণ কৰা নির্দিষ্ট এলেকা বা বিষয়। এনে বিট কোনো এটা অনুষ্ঠান, এজন ব্যক্তি, এটি প্রতিষ্ঠান আদিৰ হ'ব পাৰে। ৰিপ'র্টাৰজনে তেওঁৰ কামৰ সময়খিনিত সেই নির্দিষ্ট ক্ষেত্রটোৰ পৰা বাতৰি সংগ্রহৰ কামত লাগি থাকিব, আন ঠাইত নহয়। এইটোৱে বিশেষ অভিজ্ঞতা অর্জনৰ লগতে ৰিপ'র্টাৰসকলক তেওঁলোকৰ ব্যক্তিগত বাতৰিৰ উৎসৰ সৈতে ঘনিষ্ঠতা বৃদ্ধিত সহায় কৰে।

অগ্রগতি নিৰীক্ষণ ঘ

- পৃষ্ঠভূমি বা পটভূমিৰ গৱেষণা হ'ল কোনো এজন ব্যক্তি (লব্ধ প্রতিষ্ঠিত হ'ব পাৰে), কোনো এটা ঘটনা, কার্য বা পৰিঘটনা আদিৰ বিষয়ে তথ্য আদিৰ অনুসন্ধান কার্য। ইয়াৰ সহায়ত সেই ব্যক্তিগৰাকী বা ঘটনাটোৰ বিষয়ে মনোগ্রাহী বাতৰি বা নিবন্ধ আদি লিখিব পৰা হয়। কোনো এজন ৰিপ'র্টাৰে এগৰাকী প্রখ্যাত লোকৰ সাক্ষাৎকাৰ গ্রহণ কৰিবলৈ যাওঁতে এনে পৃষ্ঠভূমিৰ তথ্য-পাতি ভালদৰে সংগ্রহ কৰিলে, সেই ব্যক্তিগৰাকীৰ জীৱনৰ অজ্ঞাত অথচ উল্লেখযোগ্য দিশবোৰ পোহৰলৈ আনি পঢ়ুৱৈ আৰু শ্রোতাদর্শকৰ বাবে সাক্ষাৎকাৰটো অধিক মনোগ্রাহী কৰিব পাৰে। আনকি, সাধাৰণ বিধৰ মনোৰঞ্জন কার্যসূচীৰ বেলিকাও, শ্রোতা-দর্শকৰ মন বিনোদন কৰিব পৰা উন্নত কার্যসূচী প্রস্তুত কৰাৰ বাবে সদায় তথ্য আদিৰ বিষয়ে অনুসন্ধান চলোৱা ভাল। ইয়াকেই পৃষ্ঠভূমিৰ সৰল অর্থত গৱেষণা বুলি ক'ব পাৰি।



৫.১০ সম্ভাব্য প্রশ্ন

১। ৰিপ'র্টিং কি?
২। ব্যাখ্যামূলক ৰিপ'র্টিং কি?
৩। অনুসন্ধানমূলক ৰিপ'র্টিং কি?
৪। ৰিপ'র্টিং বিট বুলিলে আপুনি কি বুজে? সাংবাদিকতাৰ ক্ষেত্রত ই কিয় গুৰুত্বপূর্ণ?
৫। পৃষ্ঠভূমিৰ গৱেষণা কি? গণ মাধ্যমৰ বাবে ই কিয় প্রয়োজনীয়?